

# শ্ৰদ্ধাঞ্জলি

## প্ৰয়াত অপূৰ্ব কুমাৰ বৰুৱা

জন্ম ঃ ০৭ জানুৱাৰী, ১৯৩৩
মৃত্যু ঃ ১৮ ফেব্ৰুৱাৰী, ২০২৬



# অপূৰ্ব সুবাস

সংবাদ শিৰোমণি অপূৰ্ব কুমাৰ বৰুৱা প্ৰয়াণৰ
শোকবাৰ্তা সংকলন

সংকলন সম্পাদনা ঃ চুলতান আলী

প্ৰকাশ কাল ঃ ২৮ ফেব্ৰুৱাৰী, ২০২৬
প্ৰচ্ছদ আৰু সামগ্ৰিক শিল্পসজ্জা ঃ মনজিৎ ৰাজখোৱা
প্ৰকাশক ঃ পৰিয়ালবৰ্গ
মুদ্ৰক ঃ এছ এম প্ৰিণ্টাৰ্চ, যোৰহাট

## আমি কৃতজ্ঞতা জনাইছোঁ

■ গোলাঘাট জিলা সাংবাদিক সন্থা ■ প্ৰসেনজিৎ কুমাৰ গোস্বামী ■ গৌৰৱ গগৈ ■ অজন্তা নেওগ ■ লক্ষেশ্বৰ দলৈ, ড: তৰালি গগৈ ■ বীৰেন কলিতা ■ প্ৰফেচৰ ড: দিগন্ত মুঞ্চি ■ নিউজনেষ্ট ■ গোলাঘাট নগৰ আঞ্চলিক ব্ৰাহ্মণ সমাজ ■ North Eastern Tea Association ■ ঐক্যতান ■ আচাৰ্য ৰোহিনী বল্লভ গোস্বামী শাস্ত্ৰী ■ দণ্ডধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় ■ গোলাঘাট জিলা কবি চক্ৰ ■ গোলাঘাট জিলা সাহিত্য সভা ■ পশ্চিম গোলাঘাট জিলা সাহিত্য সভা ■ শ্ৰী শ্ৰী শিৱালয় নৱগ্ৰহ মন্দিৰ ■ সদৌ অসম লেখিকা সমাৰোহ সমিতি ■ Society For Environmental ■ গোলাঘাট নগৰ মহিলা সমিতি ■ শ্ৰী ৰবীন্দ্ৰ নাথ পূজাৰী ■ শ্ৰী অজিত দত্ত, সভাপতি অন্তৰঙ্গ চ'ৰা ■ ব্ৰজেন্দ্ৰ নাথ শৰ্মা ■ গোলাঘাট শাখা সাহিত্য সভা ■ ৰঞ্জীত কুমাৰ দত্ত ■ সম্প্ৰীতি ■ নতুন সাহিত্য পৰিষদ ■ ইলোৰা বিজ্ঞান মঞ্চ ■ গোলাঘাট এগ্ৰো চাৰ্ভিছেছ কোঅপাৰেটিভ চছাইটি লিমিটেড ■ লোকানন্দ কাকতি ৰাজহুৱা নামঘৰ ■ সৃজনী লেখিকা সমাৰোহ সমিতি ■ শ্ৰীমন্ত প্ৰতীম বৰুৱা ৰূপবন কলাক্ষেত্ৰ সংগীত মহাবিদ্যালয় ■ সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা ■ জনপ্ৰিয় মহেশ্বৰ বৰুৱা গোলাঘাট সংগীত মহাবিদ্যালয় ■ মালবিকা চলিহা ■ গোলাঘাট জিলা কবি সাহিত্য চক্ৰ আৰু সমূহ গুণমুগ্ধ ৰাইজ।

## সুবাসিত গোন্ধৰে বৰ্ণিল এটি জীৱন
## কৈ থাকিলেও ওৰকে নপৰে গুণৰ
# যাৰ নাম অপূৰ্ব

এটি দীঘলীয়া যাত্ৰা, যাৰ জীৱন পৰিক্ৰমাত আছে বৰ্ণিল মাত্ৰা। নাম তেওঁৰ অপূৰ্ব। নাম তেওঁৰ যেনেকুৱা সুদীৰ্ঘ জীৱন পৰিক্ৰমাত কাম কৰি তেনেকুৱা সোণোৱালী আখৰেৰে লিখি থৈ গ'ল জীৱন জীৱন বৰ অনুপমৰ সাৰ্থকতা। কেৱল গোলাঘাটতে নহয় সমগ্ৰ অসম আৰু ৰাষ্ট্ৰীয় পৰ্যায়লৈকে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা এগৰাকী সাৰ্থক ব্যক্তি আছিল তেখেত। সমাজ জীৱনৰ এগৰাকী মহীৰূহ স্বৰূপ অপূৰ্ব কুমাৰ বৰুৱা ডাঙৰীয়া আছিল এগৰাকী সফল সাংবাদিক। যাৰ সাংবাদিকতাৰ বিষয়ত আছিল অগাধ পাণ্ডিত্য। মই নিচেই কাষৰ পৰা প্ৰায় কুৰিটা বছৰ তেখেতৰ সান্নিধ্যত। এক দীঘলীয়া সময় সাপ্তাহিক ধনশিৰি কাকতত তেখেতৰ লগত সহকাৰী সম্পাদকৰ দায়িত্বত সম্পাদনা কৰাৰ অভিজ্ঞতা। সেইগৰাকী সফল সাংবাদিক বৰুৱা ডাঙৰীয়া ই গুৰুত্ব দিছিল Investigative Journalismৰ বিষয়ত। তেখেতে ৰচনা কৰা Small And Medium Journalism গ্ৰন্থখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতাৰ পাঠ্যক্ৰমত বিষয় হিচাপে চলিছিল। এইগৰাকী ব্যক্তিৰ গোলাঘাটৰ লগতে অসম, ভাৰত আৰু আন্তঃৰাষ্ট্ৰীয় কৃষি, বাণিজ্য, সংস্কৃতি, ৰাজনীতি আদি নানা বিষয়ত জ্ঞানেৰে পুষ্ট আছিল। এইগৰাকী ব্যক্তি সফল সাংবাদিকৰ উপৰি তেখেত একাধাৰে নিষ্ঠাবান সমাজ সংগঠক, প্ৰগতিশীল তথা সমাজবাদী আন্দোলনৰ নেতা, চাহ খেতিয়ক, সমবায় আন্দোলনৰ নেতা, সমবায় বেংকৰ প্ৰতিষ্ঠাপক, নিখিল ভাৰত ক্ষুদ্ৰ আৰু মজলীয়া বাতৰি কাকতৰ ৰাষ্ট্ৰীয় উপ সভাপতিৰ পদ অলংকৃত কৰিছিল। অতি গৌৰৱৰ বিষয় যে তাহানিৰ যুগতে এইগৰাকী ব্যক্তিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাজনীতিকৰ দায়িত্বও পালন কৰিছিল।

সৰ্বগুণাকৰ অপূৰ্ব কুমাৰ বৰুৱা ডাঙৰীয়া ই সুদীৰ্ঘ জীৱন পৰিক্ৰমাত

কেৱল মানুহৰ প্ৰগতিৰ স্বাৰ্থত কাম কৰি গৈছিল। আৰু মানুহৰ কল্যাণৰ হৈ কাম কৰাৰ আদৰ্শ দেখুৱাই গৈছে। নিজে এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ ব্যক্তি হৈও সকলো ধৰ্মৰ মানুহক সমান জ্ঞান কৰিছিল। সেই জনেই আছিল সমাজহিতৈষী অপূৰ্ব কুমাৰ বৰুৱা।

কাহানিও নভবা চিন্তা এটাৰে আমাক সকলৈকে শোক সাগৰত এৰি মহাপ্ৰয়াণ ঘটিল এইগৰাকী ব্যক্তিৰ। লগতে কাহানিও উভতি নহাৰ বাটেৰে গুচি গ'ল। আমাৰ মানসপটত বৰুৱা ডাঙৰীয়াৰ ত্যাগ আৰু আদৰ্শ চিৰদিনলৈ স্মৰণ হৈ ৰ'ব। নামে- কামে--কাজে সমাজৰ লগতে নিজৰ ঘৰখনো এক সুউচ্চ আসনত প্ৰতিষ্ঠা কৰি থৈ গৈছে এইগৰাকী ব্যক্তিয়ে। পিতৃ হিচাপে তেখেত সফল যেনেকৈ স্বামী হিচাপেও সফল এগৰাকী ব্যক্তি ।

বৰুৱাদেৱৰ মহাপ্ৰয়াণত গুণমুগ্ধ সহ আমি সকলো শোকত ম্ৰিয়মাণ। অজস্ৰ গুণগ্ৰাহী লোকে বৰুৱাদেৱৰ শোকাৰ্ত্ত পৰিয়ালৰ কাষত থিয় দি সমবেদনা জ্ঞাপন কৰিছে। গুণগ্ৰাহী, বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠান, সমাজৰ নেতৃস্থানীয় লোকে সমবেদনাৰ শোকবাৰ্তা প্ৰেৰণ কৰিছে। আমাৰ এই দুখৰ দিনত আপোনালোকে জনোৱা এই মৰম আৰু শ্ৰদ্ধাক আমি কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ। আজি ২৮ ফেব্ৰুৱাৰী ২০২৬ ত তেখেতৰ আদ্য শ্ৰাদ্ধ। এই প্ৰবিত্ৰ ক্ষণত প্ৰয়াত বৰুৱাদেৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই প্ৰেৰণ কৰা শোকবাৰ্তা, সামাজিক মাধ্যমত প্ৰকাশ পোৱা শোকবাৰ্তাসমূহ অসম্পাদিত ৰূপত একত্ৰে সংকলন কৰাৰ প্ৰয়াস কৰিছোহক। অৱশ্যে সৰু কলেবৰৰ উপৰি শেহতীয়াকৈ লাভকৰা বহুসংখ্যক বাৰ্তা অন্তভূক্ত কৰিব পৰা নগল, তাৰবাবে পৰিয়ালৰ হৈ আমি সদাশয় ব্যক্তি বা অনুষ্ঠান- প্ৰতিষ্ঠানৰ কৰকমলত মাৰ্জনা বিচাৰিছোঁ। তথাপি যথা সম্ভৱ আটাইৰে প্ৰাপ্তি স্বীকাৰ কৰিবলৈ যত্ন কৰা হৈছে। তদুপৰি কম সময়ৰ ভিতৰতে প্ৰস্তুত কৰা সংকলনটিত অজানিতে ৰৈ যোৱা ভুলৰ বাবেও আমি ক্ষমা প্ৰাৰ্থী। সংকলনটিত প্ৰচ্ছদ আৰু অংগসজ্জাৰে সহযোগ আগবঢ়োৱা বন্ধুবৰ মনজিৎ ৰাজখোৱাৰ লগতে সংকলনটিৰে জড়িত সকলোৰে প্ৰতি কৃতজ্ঞতা জনাইছোঁ।

শোকাৰ্ত্ত পৰিয়ালৰ হৈ
—চুলতান আলী

# সাংবাদিক শিৰোমণি অপূৰ্ব কুমাৰ বৰুৱা
# এক অনুভব আৰু শ্ৰদ্ধাঞ্জলি

—প্ৰসেনজিৎ কুমাৰ গোস্বামী এল এল এম,
অধিবক্তা, ডিব্ৰুগড়

মোৰ অত্যন্ত শুভাকাঙ্খী সাংবাদিক শিৰোমণি সন্মানেৰে সন্মানিত, জীৱনত বহুত দিশত সেৰা আগবঢ়োৱা অপূৰ্ব কুমাৰ বৰুৱা দেৱৰ পৰলোকৰ বাতৰি পাই মনটো বেয়া লাগিল।মোক তেখেতে সাহিত্য, সংগীত, সংবাদ চৰঞ্জচ্চাৰ ক্ষেত্ৰত বহুত প্ৰেৰণা যোগাইছিল। তেখেত মোৰ পিতৃ পক্ষ সমন্ধীয় ব্যক্তি হোৱাৰ বাবে সৰুৰেপৰাই সান্নিধ্য লাভ কৰিছিলোঁ। বৰমাৰ পৰিয়ালত এখেত সকলৰ ঘৰৰ সৈতে থকা মধুৰ সম্পৰ্ক মনত পৰে। এবাৰ তেখেতৰ অনুৰোধ আৰু গোলাঘাট সাহিত্য সভাৰ নিমন্ত্ৰণ ক্ৰমে তেখেতৰ পূজনীয় মাতৃ আমাৰ পেহী তিলোত্তমা বৰুৱাৰ বিষয়ে এখন সভাত কবলৈ গৈছিলো। মই তেখেতৰ বিষয়ে জানি বুজি ৰাইজক অৱগত কৰিবলৈ পাই সুখী হৈছিলো। এই সুখ টকাৰে জুখিব নোৱাৰি। সেই কাৰণে শাখা সাহিত্য সভাৰ সভাপতি বিশিষ্ট লেখক, সাংবাদিক প্ৰয়াত কেশৰ শইকীয়া দেব আৰু সম্পাদকে আগবঢ়োৱা মাননী গ্ৰহণ কৰা নাছিলোঁ। গোলাঘাট মোৰ বাবে শৈশৰ আৰু কৈশোৰৰ প্ৰেৰণাৰ থলি। তেখেতে মোৰ চিন্তা চৰ্চাত গুৰুত্ব দিছিল।১৯৮৩-১৯৮৪ চনত বহাগ বিহুৰ ধনশিৰিৰ দুটা সংখ্যা আলোচনী আকাৰত মই অতিথি সম্পাদক ৰূপে সম্পাদনা কৰাৰ সুবিধা লাভ কৰিছিলো। মোৰ এখন শিশু সাহিত্য মানিকী মৌ ধনশিৰি ন্যায় সমিতিয়ে প্ৰকাশ কৰিছিল। তেখেতে মোলৈ তেখেতৰ প্ৰকাশিত গ্ৰন্থ উপহাৰ স্বৰূপে পঠোৱাৰ লগতে দীঘলীয়া চিঠি লিখিছিল। আমাৰ ছোৱালীৰ বিয়ালৈ নিমন্ত্ৰণ কৰোতে সেইদিনা বহুত কথা পাতিছিল। এই গৰাকী সমাজকৰ্মী মাতৃৰ দৰেই মানৱদৰদী আছিল। ইতিবাচক কথাৰে মানুহক উপকৃত কৰিছিল। আমি প্ৰথমে সংগীত শিক্ষা লোৱা গোলাঘাট সংগীত বিদ্যালয়ৰ নিজা ভৱন নাছিল। যাৰ বাবে তেখেতে পিতৃ বৰেণ্য আইনজ্ঞ মহেশ্বৰ বৰুৱাৰ স্মৃতিত এটি ভৱন দান কৰি মহৎ কাম কৰিছিল। এতিয়া মোৰ বহুত কথাই মনলৈ আহিছে যদিও এই সামান্য লেখাৰ জৰিয়তে তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে পৰিয়ালৰ বৰ্গলৈ সমবেদনা জনালোঁ।


# গোলাঘাট জিলা সাংবাদিক সংস্থা
## GOLAGHAT DISTRICT JOURNALIST ASSOCIATION

মুখ্য কাৰ্যালয় ঃ বেজবৰুৱা পথ, গোলাঘাট
H.O.: Bezbarua Path, Golaghat
e-mail : gltdistjournalistassociation@gmail.com
Estd. 28-3-1965

# শোক-বাৰ্তা

অশ্ৰুসিক্ত নয়নেৰে জনাইছো গভীৰ শ্ৰদ্ধাঞ্জলি।

"নাই বুলি কলেই নোহোৱা হৈ যায়
. আপোনজন। নাই বুলি কলেই বুকু শুদা কৰি
চিৰদিনৰ বাবে অজান দেশলৈ গুছি যায়
ছাঁৰ দৰে থকা মানুহ জন..."



প্ৰতি,

**প্ৰয়াত অপূৰ্ব কুমাৰ বৰুৱাৰ পৰিয়ালবৰ্গ।**

**দিনাংকঃ২১-০২-২০২৬**

সাংবাদিকতাৰ জৰিয়তে ৰাজ্যৰ লগতে দেশৰ ভিতৰতে নাম উজ্বলাই খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা এগৰাকী সাহসী আৰু নিষ্ঠাবান সাংবাদিক আছিল শ্ৰদ্ধাৰ অপূৰ্ব কুমাৰ বৰুৱা । স্বাধীনোত্তৰ কালৰে পৰা সাংবাদিকতাক এক নিচা হিচাপে লৈ গোলাঘাটক জিলা ঘোষণা কৰাৰ আগতেই গোলাঘাট জিলা সাংবাদিক সংস্থাৰ জন্ম দি সাংবাদিক সকলক সংগঠিত কৰা এজন পুৰোধা ব্যক্তি আছিল প্ৰয়াত বৰুৱা।

কেৱল সাংবাদিকেই নহয়, সামাজিক, সাংস্কৃতিক, ক্ৰীড়া আদি দিশতো নিজৰ পাৰদৰ্শিতাৰ পৰিচয় দিবলৈ সক্ষম হোৱা এজন ব্যক্তি। বহু অনুষ্ঠান, শিক্ষানুষ্ঠান, সংগীত বিদ্যালয় আদিৰ প্ৰতিষ্ঠাপক হিচাপে সুনাম আছে তেখেতৰ। গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সৰ্বোচ্চ সন্মান ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা বঁটা প্ৰাপকৰ লগতে সংবাদ শিৰোমণি উপাধিৰে বিভূষিত এগৰাকী শ্ৰদ্ধেয় ব্যক্তি আছিল । গোলাঘাটৰ সমাজ জীৱনলৈ অভূতপূৰ্ব সেৱা আগবঢ়াই কেইবাটাও বঁটা গ্ৰহণ কৰাৰ লগতে সম্বৰ্ধনা আদি লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে বহু কেইখন অধ্যয়নৰ উপযোগী গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে অপূৰ্ব কুমাৰ বৰুৱাই। গোলাঘাট জিলাৰ লগতে ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ যোৱা ১৮ ফেব্ৰুৱাৰী, ২০২৬ ৰ নিশা সকলোকে শোক সাগৰত পেলাই থৈ চিৰদিনৰ বাবে গ'লগৈ অজান দেশলৈ। গোলাঘাট নগৰৰ পুৰণা আমোলাপট্টিত জন্ম গ্ৰহণ কৰা প্ৰয়াত অপূৰ্ব কুমাৰ বৰুৱাৰ বিয়োগত গোলাঘাট জিলা সাংবাদিক সংস্থাৰ প্ৰতিগৰাকী সদস্যই গভীৰ শোক প্ৰকাশ কৰে। তেখেতৰ মৃত্যুত সমাজ জীৱনৰ এক অপূৰণীয় ক্ষতি হ'ল। গোলাঘাট জিলা সাংবাদিক সংস্থাই শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ জনাইছে গভীৰ সমবেদনা।

ইতি ভৱদীয়-

| | | |
|---|---|---|
| (ৰোহিত গগৈ) | (গিৰীন বৰা) | (প্ৰণৱ চক্ৰৱৰ্তী) |
| সভাপতি | সাধাৰণ সম্পাদক | সম্পাদক |

গোলাঘাট জিলা সাংবাদিক সংস্থা

# গোলাঘাট নগৰ আঞ্চলিক ব্ৰাহ্মণ সমাজ

**গোলাঘাট - ৭৮৫৬২১ (অসম)**

## শোক প্ৰস্তাৱ

“জাতস্য হি ধ্ৰুৱো মৃত্যুৰ্ধ্ৰুবং জন্ম মৃতস্য চ।
তস্মাদপৰিহাৰ্য্যেঽৰ্থে ন ত্বং শোচিতুমৰ্হসি।।”

যোৱা ইংৰাজী ১৮ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে নিশা গোলাঘাট তথা অসমৰ এগৰাকী প্ৰবীণ সাংবাদিক, বিশিষ্ট চাহ খেতিয়ক, সাহিত্যিক, ‘ধনশিৰি’ কাকতৰ স্বত্বাধিকাৰী, সমাজসেৱক শ্ৰদ্ধাৰ শ্ৰীযুত অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ মহাপ্ৰয়াণ ঘটে। বাৰ্ধক্যজনিত কাৰণত মৃত্যুবৰণ কৰা বিশিষ্ট ব্যক্তিগৰাকীৰ স্মৰণত আজি ২০ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে গোলাঘাট নগৰ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সদস্যসকল সমৱেত হৈ এখনি শোকসভা অনুষ্ঠিত কৰা হয়। সভাত বৰেণ্য ব্যক্তিগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়।

অসমৰ বিভিন্ন অনুষ্ঠানৰ লগত তেখেত ওতপ্ৰোতভাৱে জড়িত থাকি সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰাৰ লগতে ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ লগত জড়িত থাকি দান-বৰঙণিৰে সাহায্য আগবঢ়াইছিল। ব্ৰাহ্মণ সমাজৰ এগৰাকী উপদেষ্টা হিচাপে সেৱা আগবঢ়াই আমাক কৃতাৰ্থ কৰিছিল।

তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে বৈকুণ্ঠপ্ৰাপ্তিৰ কামনাৰে — ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

শ্ৰদ্ধাৰে —

| | |
|---|---|
| ( ব্ৰজেন বৰঠাকুৰ ) | (ব্ৰজেন্দ্ৰ নাথ শৰ্মা) |
| সাধাৰণ সম্পাদক | সভাপতি |
| গোলাঘাট নগৰ আঞ্চলিক ব্ৰাহ্মণ সমাজ | গোলাঘাট নগৰ আঞ্চলিক ব্ৰাহ্মণ সমাজ |

দিনাংক ঃ ৭ ফাগুন ২০ ফেব্ৰুৱাৰী, ২০২৬ খ্ৰীষ্টাব্দ

**North Eastern Tea Association**
G.F. Road, Bengenakhowa, Golaghat - 785621, Assam
Phone : 9401081575 / 9435151638
email : neta_assamtea@yahoo.com

## CONDOLENCE MESSAGE

CHAIRMAN SHRI NEERAJ JALLAN, ADVISER SHRI BIDYANANDA BARKAKOTY, VICE CHAIRMAN SHRI RAJKUMAR BORTHAKUR & ALL MEMBERS AND OFFICE BEARERS OF NORTH EASTERN TEA ASSOCIATION EXPRESS PROFOUND GRIEF AND SORROW AT THE SAD DEMISE OF SOCIAL STATESMAN, APURBA KUMAR BAROOAH, WHO LEFT FOR HIS HEAVENLY ABODE ON 18$^{TH}$ MARCH, 2026.

HE WAS AN EXTRAORDINARY MAN WHO LED A LIFE OF SERVICE, COMPASSION AND EXCELLENCE. A TRUE VISIONARY AND ONE OF THE MOST REVERED PERSONALITIES; HIS AMIABLE NATURE ENDEARED HIM TO ONE AND ALL THAT CAME IN HIS CONTACT.

HE WAS ACTIVELY ASSOCIATED WITH VARIOUS RELIGIOUS AND SOCIO POLITICAL ORGANIZATIONS. IN HIS DEATH WE HAVE LOST A MULTIFACETED PERSONALITY; AN EMINENT SOCIAL ACTIVIST, JOURNALIST AND A WRITER.

HE WAS HONOURED WITH **LIFETIME ACHIVEMENT AWARD** FROM NETA AND WAS ALSO A RECIPIENT OF **BHASHA OJHA HEMCHANDRA BARUA AWARD**.

WE OFFER OUR DEEPEST SHRADHANJALI AND PRAY TO THE ALMIGHTY FOR ETERNAL PEACE OF THE DEPARTED SOUL. MAY GOD GIVE THE ENTIRE FAMILY ENOUGH STRENGTH TO WITHSTAND THE IRRECOVERABLE LOSS AND SAIL THROUGH THIS TOUGH SITUATION.

OUR HEARTFELT CONDOLENCES AND DEEPEST SYMPATHY TO ALL THE MEMBERS OF THE BEREAVED FAMILY.

***'OM SHANTI' 'OM SHANTI' 'OM SHANTI'***

Forwarded By,


Neeraj Jallan
Chairman, NETA

**TEA - The Official State Drink of Assam**

## গোলাঘাটৰ সাহিত্য সংস্কৃতি চৰ্চাৰ অগ্ৰণী অনুষ্ঠান
## ‘ঐকতান’



# শোক বাৰ্তা



প্ৰয়াত **অপূৰ্ব কুমাৰ বৰুৱা দেৱলৈ** শ্ৰদ্ধাঞ্জলি

জন্ম ঃ ০৭ জানুৱাৰী, ১৯৩৩
মৃত্যু ঃ ১৮ ফেব্ৰুৱাৰী, ২০২৬

সমীপেষু,

শ্ৰীযুতা পূণ্য বৰুৱা আৰু পৰিয়ালবৰ্গ
পুৰণা আমোলাপট্টি, গোলাঘাট

সশ্ৰদ্ধ প্ৰণাম গ্ৰহণ কৰিব।

বিচ্ছেদৰ অবিহনে পূৰ্ণ নহয় মানুহৰ জীৱন পৰিক্ৰমা। মৃত্যুৰ কঠিন হাতোৰাই যেতিয়া কাঢ়ি লৈ যায় জীৱন আমি অসহায় নিয়তিক ধিয়াই মৌন হৈ ৰওঁ। কিন্তু মৃত্যুৰ কঠিন সত্যকো জয় কৰিব পাৰে জীৱনৰ সৎকৰ্ম আৰু সৎ চিন্তাৰ দ্বাৰা। গোলাঘাটৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তি ‘সাংবাদিক শিৰোমণি’, ‘ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা বটা’, প্ৰাপ্ত শ্ৰদ্ধাৰ অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ বিয়োগে গোলাঘাটৰ সমাজ জীৱনত এক গভীৰ শূণ্যতাৰ সৃষ্টি কৰিলে।

গোলাঘাটৰ সাহিত্য সংস্কৃতি চৰ্চাৰ অগ্ৰণী অনুষ্ঠান ‘ঐকতান’ৰ প্ৰতিষ্ঠা কালৰে উপদেষ্টা তথা শুভাকাংক্ষী বৰুৱাদেৱৰ বিয়োগত গভীৰ দুখ প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। তেখেতৰ পবিত্ৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাই এই শোকপ্ৰস্তাৱ আগবঢ়োৱা হ'ল।

।। ওঁম শান্তি, ওঁম শান্তি, ওঁম শান্তি ।।

**ঐকতানৰ সমূহ সদস্যৰ হৈ—**

সভাপতি
ভোগেশ্বৰী চাংমাই

সম্পাদক
কমলাক্ষী দত্ত

গোলাঘাটৰ বিশিষ্ট নাগৰিক, প্ৰবীণ সাংবাদিক, বিশিষ্ট সমাজকৰ্মী প্ৰয়াত অপূৰ্ব বৰুৱাদেৱৰ প্ৰয়াণত দণ্ডধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত হোৱা শোক সভাৰ প্ৰস্তাৱ

মৃত্যু এক মিলন,
জীৱনৰ তটিনী মিলত য'ত
এক নিৰ্মোহ আশ্চৰ্য্য ॥
(ছীৰুদা)

জাতস্য হি ধ্ৰুৱো মৃত্যু ধ্ৰুৱং জন্ম মৃতস্য চ
তস্মাদ পৰিহাৰ্য্যেঽৰ্থে ন ত্বং
শোচিতুমৰ্হসি ॥ (গীতা ২·২৭)

তাং - ২৪/০২/২০২৬

শোক প্ৰস্তাৱ

আজি ইংৰাজী ২৪/০২/২০২৬ তাৰিখে দণ্ডধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত সমূহ শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰী আৰু ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত শোক সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হওক যে গোলাঘাটৰ বিশিষ্ট নাগৰিক, প্ৰবীণ সাংবাদিক, সমাজকৰ্মী প্ৰয়াত অপূৰ্ব বৰুৱাদেৱৰ প্ৰয়াণত গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত একাগ্ৰমনে প্ৰাৰ্থনা কৰা হওক আৰু শোক সন্তপ্ত পৰিয়ালটিলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হওক।

প্ৰঃ শ্ৰীযুতা বসুৰাণী হাজৰিকা
সঃ আজিৰ সভা

ইতি

স্বাক্ষৰ (বিদ্যালয় পৰিয়ালৰ হৈ)
নেকিবুৰ ৰহমান
Headmaster
Dandadhar Girls High School
Golaghat

# গোলাঘাট জিলা কবি-সাহিত্য চক্ৰ

(সদৌ অসম কবি-সাহিত্য চক্ৰৰ অন্তৰ্গত)

**গোলাঘাট জিলা, পিন ঃ ৭৮৫ ৬২১, অসম**

**পঞ্জীয়ন নং ঃ RS /KAM (M) / 263 / X / 155 of 2021-22**


প্ৰসঙ্গ নং ..................................  দিনাঙ্ক ২৩-০২-২০২৫

শোক বাৰ্তা

জন্ম-মৃত্যু আহে-যায় মনুষ্যৰ জীৱনৰ অহা-যোৱা
এইয়াই প্ৰকৃতিৰ ৰীতি। তথাপি মৃত্যু আমাৰ
বাবে অনাকাংক্ষিত আৰু বেদনাময়।
তথাপি অগ্ৰজ অপূৰ্ব কুমাৰ বৰুৱা দাদাৰ
আকস্মিক মৰণ আমাৰ বাবে এক অপূৰণীয়
ক্ষতি।

যোৱা ১৮/০২/২০২৫ তাৰিখে আমাৰ মাজৰ
পৰা মহাপ্ৰয়াণে গুচি গ'ল বিশিষ্ট কবি-
সাহিত্যিক অপূৰ্ব বৰুৱা দাদাই।, তেখেতৰ বিদেহ
আত্মাৰ চিৰশান্তি কামনা কৰি শোকাকুল
পৰিয়ালৰ সদস্যসকললৈ গভীৰ সমবেদনা
জ্ঞাপন কৰিছোঁ।

সভাপতি,
জুৰি দাস ৰাজখোৱা

সম্পাদক,
মণীষা শইকীয়া (বাণী)

চিৰ চেনেহী মোৰ ভাষা জননী

# গোলাঘাট জিলা সাহিত্য সভা

## সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক ভৱন

(অসম ৰাজ্যিক পৰিবহন নিগম, গোলাঘাট বাছ আস্থানৰ সমীপত)

তাৰিখ ঃ ২৪-০২-২০২৬

প্ৰতি,

প্ৰবীণ সাংবাদিক, ভাষা ওজা হেমচন্দ্ৰ বৰুৱা বঁটা প্ৰাপক, সাংবাদিক শিৰোমণি

প্ৰয়াত অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ পৰিয়ালবৰ্গলৈ,

গোলাঘাট।

## শোকবাৰ্তা

ওম অসতো মা সদগময়

তমসো মা জ্যোতিগময়

মৃত্যোমা অমৃতংগময়

ওম শান্তি শান্তি শান্তি ...

গোলাঘাট জিলা সংবাদ সাহিত্য আৰু সাংবাদিকতাৰ বাটকটীয়া ব্যক্তি গৰাকীয়েই হ'ল অপূৰ্ব কুমাৰ বৰুৱাদেৱ। প্ৰবীণ সাংবাদিক, ভাষা ওজা হেমচন্দ্ৰ বৰুৱা বঁটা প্ৰাপক, সাংবাদিক শিৰোমণি উপাধিৰে বিভূষিত আৰু গোলাঘাট জিলা সাংবাদিক সস্থাৰ প্ৰাক্তন সভাপতি অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ যোৱা ১৮ ফেব্ৰুৱাৰী ২০২৬ খ্ৰীষ্টাব্দত পৰলোকপ্ৰাপ্তিত গোলাঘাট জিলা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। তেখেতৰ পুণ্যাত্মাই ভগবানৰ সান্নিধ্যৰে অমৃতলোকত স্থান পাওক এইয়া আমাৰ একান্ত প্ৰাৰ্থনা।

এই পত্ৰৰ দ্বাৰা তেখেতৰ শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

ওম শান্তি শান্তি শান্তি

শ্ৰদ্ধাৰে

| | | |
|---|---|---|
| (বন্তি বৰা) | (মুহিৰাম লইং) | (দুলাল চন্দ্ৰ দাস) |
| সভাপতি | উপ-সভাপতি | সম্পাদক |

গোলাঘাট জিলা সাহিত্য সভা

॥ চিৰ চেনেহী মোৰ ভাষা জননী ॥

**গোলাঘাট শাখা সাহিত্য সভা**

প্ৰতিষ্ঠা - ১৯১৮ চন

পণ্ডিত হেমচন্দ্ৰ গোস্বামী স্মৃতিভৱন

সাহিত্য সভা পথ,

গোলাঘাট - ৭৮৫৬২১

---

প্ৰসঙ্গ নং: গোলাঘাট শা সা সভা/২০২৬-২৬/০৯ তাৰিখ: ২৩/০২/২০২৬

প্ৰতি,

শ্ৰীযুতা বুলু বৰুৱা,

আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ

## শোক বাৰ্তা

গোলাঘাটৰ সমাজ জীৱনৰ সুদীৰ্ঘ দিনৰ অবিচ্ছেদ্য অংগস্বৰূপ, সাংবাদিক শিৰোমণি বঁটা প্ৰাপক, কংগ্ৰেছ দলৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত নেতৃত্ব প্ৰদান কৰা ব্যক্তি আৰু কেইবাখনো আপুৰুগীয়া গ্ৰন্থৰ ৰচক অপূৰ্ব কুমাৰ বৰুৱা দেৱৰ ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীৰ নিশা গুৱাহাটীত ইহলীলা সম্বৰণ কৰাত গোলাঘাট শাখা সাহিত্য সভাৰ সমূহ কৰ্মকৰ্তা আৰু সদস্যৰ হৈ আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ। এনে এজন নিষ্ঠাবান সমাজকৰ্মী, "সাপ্তাহিক ধনশিৰি" কাকতৰ মুখ্য সম্পাদক আৰু মুখ্যতঃ সকলোকে আপোন কৰিব পৰা ব্যক্তিত্বৰ বৰুৱাদেৱৰ অনুপস্থিতি সমাজ জীৱনৰ বাবে এক বিস্তৰ ক্ষতি বুলি ক'ব পাৰি। স্বৰ্গগামী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আমি সভাৰ তৰফৰ পৰা আন্তৰিক সমবেদনা জ্ঞাপন কৰিলো।

ইতি

সভাপতি
তিলেশ্বৰ তামুলী

সম্পাদিকা
অঞ্জলি বাইলুং বুঢ়াগোহাঁই

সভাপতি
...ট শাখা সাহিত্য সভা

সম্পাদক,
গোলাঘাট শাখা সাহিত্য সভা

গোলাঘাট শাখা সাহিত্য সভা

চিৰ চেনেহী মোৰ ভাষা জননী

# পশ্চিম গোলাঘাট শাখা সাহিত্য সভা

গোলাঘাট, অসম
২৩ ফেব্ৰুৱাৰী, ২০২৬



প্ৰবীণ সাংবাদিক, সমাজকৰ্মী, গোলাঘাটৰ সমাজ
জীৱনৰ বটবৃক্ষ স্বৰূপ অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ মৃত্যুত
পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ

## গভীৰ শোক

প্ৰতি,
**শ্ৰীযুতা পূণ্যপ্ৰভা বৰুৱা বাইদেউ**
আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ।

**প্ৰবীণ সাংবাদিক, সমাজকৰ্মী, গোলাঘাটৰ সমাজ জীৱনৰ পুৰোধা, বটবৃক্ষ স্বৰূপ অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ মৃত্যু আমাৰ সকলোৰে বাবে, অসমৰ জাতীয় জীৱন তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি। জীৱিত কালত তেখেতে দায়বদ্ধতাৰে আৰু নিঃস্বাৰ্থ ভাৱে আগবঢ়াই যোৱা অৱদা নিশ্চিতভাৱে চিৰ যুগমীয়া হৈ থাকিব। তেখেতৰ মৃত্যুত পশ্চিম গোলাঘাট শাখা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। তেখেত যতেই আছে শান্তিৰে থাকক।**

।। ওমঃ শান্তি, শান্তি,শান্তি ।।

(ডঃ পুতুল চন্দ্ৰ শইকীয়া)
সভাপতি

(স্বাগতা বৰা)
সম্পাদক


পশ্চিম গোলাঘাট শাখা সাহিত্য সভা



# শ্ৰীশ্ৰী শিৱালয় নৱগ্ৰহ মন্দিৰ

বাগিছা আলি, পাঁচআলিৰ সমীপত
জিলা - গোলাঘাট, পিন - ৭৮৫৬২১

*প্ৰসঙ্গ নং ঃ ...........................* — *তাৰিখ ঃ* **২২-০২-২০২৬**



## শোক প্ৰস্তাৱ

গোলাঘাট নগৰৰ আমোলাপট্টিৰ নিবাসী, নৱগ্ৰহ মন্দিৰৰ ভূমিদাতা, প্ৰবীণ সাংবাদিক, সমাজ হিতৈষী, ধৰ্ম্মপ্ৰাণ ব্যক্তি, শ্ৰদ্ধাৰ ***অপূৰ্ব কুমাৰ বৰুৱা*** দেৱ যোৱা ইংৰাজী ১৮-০২-২০২৬ তাৰিখ, বুধবাৰৰ দিনা ইহলীলা সম্বৰণ কৰাৰ বাতৰি পাই সমগ্ৰ গোলাঘাটৰ লগতে পাঁচআলি শ্ৰীশ্ৰী শিৱালয় নৱগ্ৰহ মন্দিৰৰ পৰিচালনা সমিতিৰ সমুহ সদস্য/সদস্যা ও ভক্তপ্ৰাণ ৰাইজ মৰ্মাহত হয়। সেয়ে আজি মন্দিৰ প্ৰাঙ্গনত অনুষ্ঠিত এক শোকসভাত তেখেতৰ মহাপ্ৰয়াণত গভীৰ শোক প্ৰকাশ কৰি, বিদেহী আত্মাৰ সদ্গতি আৰু চিৰশান্তিৰ বাবে পৰম মঙ্গলময় প্ৰভুৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈকো সমবেদনা জ্ঞাপন কৰে।

ধন্যবাদ সহকাৰে -
**শ্ৰীশ্ৰী শিৱালয় নৱগ্ৰহ মন্দিৰ পৰিচালনা সমিতিৰ হৈ-**

| | |
|---|---|
| (শ্ৰী কৰুণ কুমাৰ শইকীয়া) | (শ্ৰী শ্যামল কুমাৰ অধ্যাপক) |
| সভাপতি | ভাৰপ্ৰাপ্ত সম্পাদক |

NITI AYOG,GOVT. OF INDIA UNIQUE ID- AS/2018/0216871 Cell. 8638714842

SOCIETY FOR ENVIRONMENTAL EDUCATION OF NORT-EAST (INDIA)

Regd. No. 1044/95-96 under SRA XXI of 1860
Regd. under Confideration of NGO in Rural India (CNRI), New Delhi
Head Office : Main Road, Golaghat, Assam
Pin Code : 785 621
Mail : seeneind1993@gmail.com

Estd. 1993 · SOCIETY FOR ENVIRONMENTAL EDUCATION OF NORTH EAST · GOLAGHAT

Ref. No. Date

শোক প্ৰস্তাৱ

আজি ইংৰাজী 20-02-2025 তাৰিখে ছ'চাইটি ফৰ এনভাইৰন-
-মেণ্টেল এডুকেচন অৱ নৰ্থ-ইষ্টৰ (চীনে) মুখ্য কাৰ্যালয়ত
কাৰ্যকৰী সভাপতি শ্ৰীযুত ৰবীন্দ্ৰ নাথ বৰুৱাৰ সভাপতিত্বত
এখনি জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত
চীনেৰ বৰ্তমানৰ সভাপতি তথা বিশিষ্ট সাংবাদিক, লেখক
গোলাঘাটৰ সমাজ জীৱনৰ এগৰাকী পুৰোধা ব্যক্তি, শ্ৰেষ্ঠ
নাগৰিক অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ বিয়োগত সভাই
গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ বিদেহী আত্মাৰ
সদগতিৰ অৰ্থে পৰমপিতা পৰমেশ্বৰৰ ওচৰত
এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে
শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন
কৰি শোক প্ৰস্তাৱ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ
কৰা হয়।

প্ৰেৰক—
সমূহ বিষয়ববীয়া
ছ'চাইটি ফৰ এনভাইৰনমেণ্টেল—
এডুকেচন অৱ নৰ্থ-ইষ্ট—
('চীনে')
গোলাঘাট।

# সদৌ অসম লেখিকা সমাৰোহ সমিতি

দেৰগাঁও শাখা : স্থাপিত — ১৯৮১ চন

দেৰগাঁও - ৭৮৫৬১৪

প্ৰসঙ্গ নং ..............                                    তাৰিখ : ..........

শোক বাৰ্তা

২৪।২।২৬

যোৱা ১৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে গোলাঘাট জিলাৰ সমাজ জীৱনৰ অন্যতম বাৰ্তাজীৱী, বিশিষ্ট নাগৰিক, হেমচন্দ্ৰ বৰুৱা বঁটা প্ৰাপক প্ৰবীণ সাংবাদিক অপূৰ্ব কুমাৰ বৰুৱাৰ দেহাৱসান ঘটাৰ খবৰ পাই দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ সমূহ সদস্যাই গভীৰ শোক প্ৰকাশ কৰিছে আৰু বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ পৰিয়ালৰ হৈ

সভানেত্ৰী                                    সম্পাদিকা

বেনু বৰা                                    অণিমাদেৱী বৰঠাকুৰ

সভানেত্ৰী/সম্পাদিকা
সদৌ অসম লেখিকা সমাৰোহ সমিতি
দেৰগাঁও শাখা
৭৮৫৬১৪

# গোলাঘাট নগৰ মহিলা সমিতি

**গোলাঘাট - ৭৮৫৬২১ (অসম)**

**স্থাপিত - ১৯৯১ চন**

## শোক প্ৰস্তাৱ

যোৱা ইংৰাজী ১৮ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে গোলাঘাট জিলাৰ অভিভাৱক স্বৰূপ, গোলাঘাট জিলাৰ সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি তথা অসমৰ এগৰাকী প্ৰবীণ সাংবাদিক, সাহিত্যিক, 'ধনশিৰি' কাকতৰ স্বত্বাধিকাৰী, সমাজসেৱক শ্ৰদ্ধাৰ শ্ৰীযুত অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ মহাপ্ৰয়াণ ঘটে। বাৰ্ধক্যজনিত কাৰণত মৃত্যুবৰণ কৰা বিশিষ্ট ব্যক্তিগৰাকীৰ মৃত্যুত আমি গোলাঘাট নগৰ মহিলা সমিতিৰ সমূহ বিষয়ববীয়া, সদস্যাৰ লগতে সমগ্ৰ গোলাঘাটবাসী আজি মৰ্মাহত।

তেখেতৰ স্মৰণত আজি ১৯ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে গোলাঘাট নগৰ মহিলা সমিতিয়ে ড° লুকুমণি গোস্বামীৰ সভাপতিত্বত এখনি শোকসভা অনুষ্ঠিত কৰে। সভাত বৰেণ্য ব্যক্তিগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে পৰমেশ্বৰৰ ওচৰত প্ৰণিপাত জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সহমৰ্মিতা প্ৰকাশ কৰে।

শ্ৰদ্ধাৰে —

লুকুমণি গোস্বামী

**( ড° লুকুমণি গোস্বামী )**

সভানেত্ৰী

গোলাদাট নগৰ মহিলা সমিতি

ৰশ্মি ৰেখা পূজাৰী

**(ৰশ্মিৰেখা পূজাৰী)**

সম্পাদিকা

গোলাঘাট নগৰ মহিলা সমিতি

দিনাংক ঃ ১৯ ফেব্ৰুৱাৰী, ২০২৬ খ্ৰীষ্টাব্দ

# গোলাঘাট জিলা কবিচক্ৰ

কাৰ্যালয় ঃ চৈয়দ আব্দুল মালিক ভৱন
প্ৰতিষ্ঠা ঃ ১৫ আগষ্ট ১৯৭০ চন

## অসমৰ পুৰোধা ব্যক্তি আৰু সাংবাদিক শিৰোমণি
## অপূৰ্বকুমাৰ বৰুৱাদেৱৰ প্ৰতি ......



## শ্ৰদ্ধাঞ্জলি

*হে মহানুভৱ,*

আপোনাৰ মহাপ্ৰয়াণত গোলাঘাট জিলা কবিচক্ৰ অতিশয় মৰ্মাহত। প্ৰতিষ্ঠাকালীন সময়ৰ পৰাই আপুনি এগৰাকী, শুভচিন্তক ৰূপে কবিচক্ৰক প্ৰতিপল সুন্দৰৰ বাটে-বাটে আগুৱাই যাবলৈ অপাৰ শক্তি প্ৰদান কৰি সমৃদ্ধিশালী কৰিছিল। আপুনি কবিচক্ৰৰ পিতৃসম অভিভাৱক আছিল। আপোনাৰ কৰ্মাদৰ্শ আৰু প্ৰেৰণাৰাজি কবিচক্ৰৰ হৃদয়ত অক্ষয় আৰু আপুৰুগীয়া সম্পদ হৈ ৰ'ব।

*হে সৰ্বগুণাকৰ,*

আপুনি চিন্তাবিদ, বুদ্ধিজীৱি, সাহিত্যক, সাংবাদিক, ৰাজনীতিবিদ, চাহ খেতিয়ক, সমাজ সেৱক আদি অনেক গুণেৰে বিভূষিত সৰ্বজনপ্ৰিয় আৰু সফল ব্যক্তি আছিল। "সাংবাদিক শিৰোমণি" উপাধিৰে বিভূষিত আপুনি সকলো স্তৰৰ জনতাৰ হৃদয়ৰ আপোন মানুহ আছিল। "ধনশিৰি" কাকতে আপোনাৰ বিৰল ব্যক্তিত্বত সোণত সুৱগা চৰাইছিল।

*হে মহানায়ক,*

আপুনি এটা যুগৰ সূচনা কৰি গ'ল আৰু আপোনাৰ মহাপ্ৰয়াণৰ লগে লগে সেই যুগৰ অৱসান ঘটিল। আপুনি এটা শতকৰ ইতিহাস — আপুনি সমাজ জীৱনৰ বটবৃক্ষ — আপুনি পুৰোধা ব্যক্তি। আপুনি প্ৰতি মানৱৰ হৃদয়ত চিৰদিন অমৰ হৈ ৰ'ব। আপুনি পৰলোক ধামলৈ গতি কৰা ১৮ ফেব্ৰুৱাৰী তাৰিখটো শোকৰ দিন হৈ ৰ'ল— আপোনাৰ স্বৰ্গগত আত্মাৰ চিৰ শান্তি কামনা কৰিলোঁ।

ওঁম শান্তি। ওঁম শান্তি। ওঁম শান্তি।

ভৱদীয় —

| | | | | | | |
|---|---|---|---|---|---|---|
| বানেশ্বৰ বৰা | ৰেৱ শইকীয়া | কুমুদ কোঁৱৰ | তৰুন চন্দ্ৰ দত্ত | দণ্ডিৰাম বৰা | কুশল শইকীয়া | কুমকুম বৰা |
| মুখ্য উপদেষ্টা | উপদেষ্টা | উপদেষ্টা | উপদেষ্টা | সভাপতি | কাৰ্যকৰী সভাপতি | প্ৰধান সম্পাদক |

গোলাঘাট জিলা কবিচক্ৰ
চৈয়দ আব্দুল মালিক ভৱন, গোলাঘাট
দিনাংক ঃ ২৩ ফেব্ৰুৱাৰী, ২০২৬ চন

# সম্প্ৰীতি

**Registration No.:**
**RS/DIB/255/RFSRS/202501636 of 2025-2026**

গোলাঘাট শাখা
স্থাপিত : ২০১৩ বৰ্ষ, ২৬ মে'
পিন : ৭৮৫৬২১

*উপদেষ্টা :*
শ্ৰীযুত পূৰ্ণ ৰাজখোৱা
শ্ৰীযুত সঞ্জীৱ সন্দিকৈ
শ্ৰীযুত সাগৰ গোহাঁই
শ্ৰীযুত তনুজ মহন্ত
শ্ৰীযুত দিগন্ত ভুঞা
শ্ৰীযুত লক্ষেশ্বৰ দলৈ
*সভাপতি :*
ড০ তৰালি গগৈ
*উপ-সভাপতি :*
শ্ৰীমতী অৰূপা নাথ
*মূখ্য সম্পাদিকা :*
শ্ৰীমতী ছবি বৰুৱা
*সম্পাদিকা :*
শ্ৰীমতী কমলাক্ষী দত্ত
*কোষাধ্যক্ষ :*
শ্ৰীমতী মিনাক্ষী কুৰ্মী
*সাংস্কৃতিক বিভাগ :*
*সম্পাদিকা*
শ্ৰীমতী নিৰু গগৈ
*প্ৰচাৰ বিভাগ*
*সম্পাদিকা*
শ্ৰীমতী কুমকুম চাংমাই
*আলোচনী বিভাগ :*
*সম্পাদিকা*
শ্ৰীমতী মৃদুস্মিতা গোহাঁই গগৈ
*সদস্য*
শ্ৰীমতী পুতুল গগৈ
শ্ৰীমতী ভাৰতী বৰা
শ্ৰীমতী অৰুন্ধতী কোঁৱৰ
শ্ৰীমতী জোৎস্না ঠাকুৰ
শ্ৰীমতী মৈত্ৰেয়ী দেৱী
শ্ৰীমতী প্ৰিয়দৰ্শিনী দলৈ
শ্ৰীমতী বুলু নেওগ

প্ৰসঙ্গ নং :.................... দিনাংক : ২২/০২/২০২৬

## শোক প্ৰস্তাৱ

গোলাঘাট নগৰৰ বিশিষ্ট নাগৰিক হেমচন্দ্ৰ বৰুৱা বঁটাপ্ৰাপক সংবাদজগতৰ মহীৰূহ, সমাজ সংগঠকৰূপে পৰিচিত নিষ্ঠাবান সমাজকৰ্ম্মী, চাহ খেতিয়ক, সমবায় আন্দোলনৰ গুৰিধৰোতা, 'সাপ্তাহিক ধনশিৰিৰ' মুখ্য সম্পাদকৰ দায়িত্বপ্ৰাপ্ত, ৰাজনীতিজ্ঞ আৰু বিভিন্ন অনুস্থান প্ৰতিষ্ঠানৰ লগত জড়িত ব্যক্তি প্ৰয়াত অপূৰ্ব কুমাৰ বৰুৱাদেৱে ৯৪ বছৰ জীৱন পৰিক্ৰমা সামৰি ১৯ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে ইহলোকৰ পৰা বিদায় লোৱাত আমি এজন মহান ব্যক্তিক হেৰুৱাই গভীৰ শোক প্ৰকাশ কৰিলো। তেখেতৰ পুন্যআত্মাই চিৰশান্তি লাভ কৰক ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো।

তৰালি গগৈ
**ড০ তৰালি গগৈ**
সভানেত্ৰী

কমলাক্ষী দত্ত
**শ্ৰীমতী কমলাক্ষী দত্ত**
সম্পাদিকা

সম্প্ৰীতি, গোলাঘাট

# নতুন সাহিত্য পৰিষদ

**গোলাঘাট শাখা**

ডাক ঃ গোলাঘাট, জিলা ঃ গোলাঘাট

পিন ঃ ৭৮৫ ৬২১ (অসম)

প্ৰসঙ্গ ঃ....................                                         তাৰিখ ঃ..........

## শোক-প্ৰকাশ

যোৱা ১৮/২/২০২৬ তাৰিখে জীৱনাবসান ঘটা বিশিষ্ট প্ৰবীণ সাংবাদিক, 'সাপ্তাহিক ধনশিৰি' কাকতৰ মুখ্য সম্পাদক, গোলাঘাট সমাজজীৱনৰ এগৰাকী মহীৰুহ, গোলাঘাটৰ লগতে অসমৰ বিভিন্ন সামাজিক **অনুষ্ঠান-প্ৰতিষ্ঠান** আৰু দল-সংগঠনৰ নেতৃত্ব বহন কৰা, গোলাঘাট পুৰণা আমোলাপট্টি **নিবাসী অপূৰ্ব** কুমাৰ বৰুৱাৰ মৃত্যুত 'নতুন সাহিত্য পৰিষদ, গোলাঘাট শাখা'ই গভীৰ **শোক প্ৰকাশ** কৰাৰ লগতে তেখেতৰ শোক-সন্তপ্ত পৰিয়াল-পৰিজনলৈ সমবেদনা **জ্ঞাপন কৰে।**

ভৱদীয়-

স্বাক্ষৰ ঃ
ডাঃ কুমুদ কুমাৰ দত্ত, সভাপতি
হেম ফুকন, সম্পাদক
নতুন সাহিত্য পৰিষদ, গোলাঘাট শাখা।

# ইলোৰা বিজ্ঞান মঞ্চ

## গোলাঘাট শাখা

জিলা ঃ গোলাঘাট (অসম)

পিন - ৭৮৫ ৬২১


উপদেষ্টা ঃ
শ্ৰীযুতা অনু খনিকৰ
শ্ৰীযুতা চফিয়া হুছেইন
শ্ৰীযুতা কুসুম তামুলী
শ্ৰীযুত গোলাপ গগৈ
ড° পৰেশ চন্দ্ৰ দত্ত
শ্ৰীযুত হেম ফুকন
শ্ৰীযুত নবকান্ত শইকীয়া

সভাপতি ঃ
ডাঃ কুমুদ কুমাৰ দত্ত
ফোন ঃ ৯৪৩৫০ ৫৪৩০২

কাৰ্যকৰী সভাপতি ঃ
শ্ৰীভৰেশ দত্ত
ফোন ঃ ৮৮৭৬৩ ৮২৬২২

সম্পাদক ঃ
ড° অমূল্য কুমাৰ বৰা
ফোন ঃ ৯১০১৮ ৭৮৫১২

সহঃ সম্পাদক ঃ
ড° সুকৃতি দত্ত

কোষাধ্যক্ষ ঃ
শ্ৰীৰাজুমণি গগৈ

সদস্য ঃ
শ্ৰীপ্ৰদীপ কুমাৰ বৰগোহাঁই
ড° ৰৌচনাৰা বেগম
শ্ৰীমতী কমলাক্ষী দত্ত
শ্ৰীমতী তুলুমণি শৰ্মা তামুলী
শ্ৰীপল্লৱ বৰবৰা
মঃ চুলতান আলী


প্ৰসঙ্গ নং .........................    তাৰিখ :...............

### শোক-প্ৰস্তাৱ

গোলাঘাট পুৰণা আমোলাপট্টি নিবাসী, অসমৰ প্ৰবীণ সাংবাদিক, 'সাপ্তাহিক ধনশিৰি' কাকতৰ মুখ্য সম্পাদক, অসম তথা দেশৰ বিভিন্ন সংগঠনৰ গুৰুত্বপূৰ্ণ দ্বায়িত্ব সুচাৰুৰূপে পালন কৰা জ্যেষ্ঠ ব্যক্তি, গোলাঘাটৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতৃত্ব বহন কৰা, সকলোৰে শ্ৰদ্ধাৰ অপূৰ্ব কুমাৰ বৰুৱাৰ যোৱা ১৮/০২/২০২৬ তাৰিখে জীৱনাবসান ঘটে। তেখেতৰ বিয়োগত 'ইলোৰা বিজ্ঞান মঞ্চ, গোলাঘাট শাখা'ই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি এক শোক-প্ৰস্তাৱ গ্ৰহণ কৰে।

স্বাক্ষৰ ঃ
ডাঃ কুমুদ কুমাৰ দত্ত, সভাপতি
শ্ৰীভৰেশ দত্ত, কাৰ্যকৰী সভাপতি
ড°অমূল্য কুমাৰ বৰা, সম্পাদক
ইলোৰা বিজ্ঞান মঞ্চ,
গোলাঘাট শাখা।

।। জয় আই অসম।।
সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা
ALL GOLAGHAT DISTRICT STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ শ্বহীদ ভৱন, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা পথ, গোলাঘাট
Head Office : Swahid Bhawan, Sahityarathi Lakhminath Bezbaruah Path, Golaghat

# একাঁজলি শ্ৰদ্ধাঞ্জলি



প্ৰতি,
সদ্যপ্ৰয়াত গোলাঘাট সমাজ জীৱনৰ বটবৃক্ষ
অপূৰ্ব কুমাৰ বৰুৱা ডাঙৰীয়াৰ
শোকসন্তপ্ত পৰিয়ালবৰ্গ

জন্ম আৰু মৃত্যু জগতৰ বাস্তৱ সত্য। মৃত্যু নামৰ এই নিৰ্মোহ সত্যৰ পথেৰে অচিনা দেশলৈ গুচি গ'ল প্ৰবীন সাংবাদিক, সমাজকৰ্মী, গোলাঘাটৰ মহীৰুহ শ্ৰদ্ধাৰ অপূৰ্ব কুমাৰ বৰুৱা ডাঙৰীয়া। এইগৰাকী জাতীয় চিন্তাধাৰাৰে উদ্বুদ্ধ মহান সত্তাৰ মৃত্যু আমাৰ বাবে এক অপূৰণীয় ক্ষতি।

শ্ৰদ্ধাৰ অপূৰ্ব কুমাৰ বৰুৱা ডাঙৰীয়াৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আমি সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

(মিন্টু গগৈ)
সভাপতি

(চিৰঞ্জীৱ বৰা)
সাধাৰণ সম্পাদক

সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা

# সামাজিক মাধ্যমত প্ৰকাশ পোৱা শোকবাৰ্তা


**Gaurav Gogoi**

Posts About Photos More

গোলাঘাটৰ এগৰাকী সন্মানীয় চাহ উদ্যোগী, সমাজসেৱক, সাংবাদিক, ৰাজনীতিবিদ তথা বহুমুখী প্ৰতিভাৰ অধিকাৰী শ্ৰী অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ দেহাৱসানত আমি গভীৰভাৱে শোকাহত।

NETA Lifetime Achievement Award, 2025 প্ৰাপক হিচাপে তেখেতৰ জীৱন সমাজসেৱা, জনসেৱা আৰু বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা মূল্যবান অৱদানৰে সমৃদ্ধ আছিল। তেখেতৰ মৃত্যু গোলাঘাটৰ লগতে সমগ্ৰ অসমৰ বাবে এক অপূৰণীয় ক্ষতি।

তেখেতৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰিলোঁ। শোকসন্তপ্ত পৰিয়ালবৰ্গ, আত্মীয়স্বজন আৰু গুণমুগ্ধ সকলোলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।




**Ajanta Neog**

Posts About Photos More

'সাংবাদিক শিৰোমণি' উপাধিৰে বিভূষিত গোলাঘাটৰ প্ৰবীণ সাংবাদিক তথা "সাপ্তাহিক ধনশিৰি"ৰ মুখ্য সম্পাদক শ্ৰদ্ধাৰ অপূৰ্ব কুমাৰ বৰুৱাদেৱৰ কালি নিশা গুৱাহাটী মেডিকেল কলেজ হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। এই দুঃখজনক খবৰে মোক গভীৰভাৱে মৰ্মাহত কৰিছে।

তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।
ওঁম শান্তি 🙏



Deeply saddened to read in the Assam Tribune about the passing of Mr. Apurba Kumar Barooah of Golaghat.
His contribution to the society was remarkable, and it is evident that the people of Golaghat have tremendous respect for him. He was a truly admirable personality. My heartfelt condolences go out to his family, friends, and well-wishers during this difficult time. May his soul rest in eternal peace.
Om Shanti. 🙏

Prof. (Dr.) Diganta Munshi,
Registrar, The Assam Royal Global University